1. Name of the Programme : Popular Lacture

2. Date : 09/03/2021

3. In connection with observation of ………………………Day (If any) : N/A

4. Organized by : Department of Assamese, B.N. College, Dhubri.

5. Name of Resource person/judges :
   (i) Dr. Upen Rabha Hakasam, Prof. Gauhati University.
   (ii) Dr. Praphulla Kr. Nath, Prof. Gauhati University.

6. Number of participants/students : 213

7. Name, Class, Roll no of the winners : N/A

8. A brief write up of the programmme (with web snaps/phots):

   ৯ মাৰ্চ ২০২১, তাৰিখে ধুবুৰী ভোলানাথ মহাবিদ্যালয়ত অসমীয়া বিভাগৰ উদ্যোগত ‘অসমৰ নৃগোষ্ঠীয় সমাজত অসমীয়া ভাষা চৰ্চা’ শীৰ্ষক বিষয়ত এটি বিশেষ বক্তৃতা অনুষ্ঠান অনুষ্ঠিত কৰা হয়। অনুষ্ঠানত সমল ব্যক্তি হিচাপে অংশ গ্ৰহণ কৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপকদ্বয় ড° উপেন ৰাভা হাকাচাম আৰু ড° প্ৰফুল্ল কুমাৰ নাথে। অনুষ্ঠানৰ আৰম্ভণিতে অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক তথা অসম সাহিত্য সভাৰ পত্ৰিকা সম্পাদক ড° উপেন্দ্ৰজিৎ শৰ্মাই কয় যে সাম্প্ৰতিক সময়ত অসমীয়া ভাষাটোৰ জনগোষ্ঠীয় সমাজত কৰা ব্যৱহাৰৰ অধ্যয়ন অতীব প্ৰয়োজন হৈ পৰিছে। কাৰণ অসমীয়া ভাষা কোনো নিৰ্দিষ্ট সমাজ বা সম্প্ৰদায়ৰ ভাষা নহয়। জনগোষ্ঠীয় সমাজৰ ব্যাপক অংশগ্ৰহণেহে অসমীয়া ভাষাক এক স্বকীয় অথচ চহকী ভাষাৰুপে ব্যতিক্ৰম ৰূপত তুলি ধৰিছে বুলি তেওঁ কয়। বক্তৃতা অনুষ্ঠানটো উদ্বোধন কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ধ্ৰুৱ চক্ৰবৰ্তীয়ে। ভাষণ প্ৰসংগত ড° চক্ৰবৰ্তীয়ে অসমীয়া বিভাগৰ এনে প্ৰচেষ্টাক ভূয়সী প্ৰশংসা কৰি কয় যে এনেধৰণৰ প্ৰচেষ্টাইহে সম্প্ৰীতিৰ ভেটি গঢ়িব পাৰিব। বক্তৃতা প্ৰদান কৰি ভাষাবিদ, পণ্ডিত ড° উপেন ৰাভা হাকাচামে অসমৰ সমাজ জীৱনত বড়ো, ৰাভা, মিচিং আদি নৃগোষ্ঠীয় সমাজত ব্যৱহৃত অসমীয়া ভাষাটোৰ স্বকীয় ৰূপটোৰ পূৰ্ণ বিশ্লেষণ দাঙি ধৰে। আন এগৰাকী বক্তা সাহিত্যিক ড° প্ৰফুল্ল কুমাৰ নাথে প্ৰাচীন কালৰ পৰাই অসমৰ জনগোষ্ঠীয় সমাজত হোৱা অসমীয়া ভাষা চৰ্চাৰ সম্যক আভাস প্ৰদান কৰে। অনুষ্ঠানটোত অসমীয়া বিভাগৰ সহযোগী অধ্যাপিকা বেবী বৰা, ড° অলকা শৰ্মা, সহকাৰী অধ্যাপক ছাইফুল হাছানকে প্ৰমুখ্য কৰি দুই শতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশ গ্ৰহণ কৰে। অসম সংগীত পৰিৱেশনেৰে সভাৰ সামৰণি ঘোষণা কৰা হয়।











আমবাৰীত অগ্নিকাণ্ড

কচুডোলা পাহাৰত শিৱ পূজা

এ আই ইউ ডি এফৰ প্ৰাৰ্থীক লক্ষীপুৰত আদৰণি

ধুবুৰী ভোলানাথ মহাবিদ্যালয়ত বিশেষ বক্তৃতা অনুষ্ঠান